DAILY ASSAM

# উভতি নহাৰ কবিতা

**নৱকান্ত বৰুৱা**

**পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য ঃ**

আধুনিক অসমীয়া কবিতাৰ এগৰাকী শক্তিশালী কবি নৱকান্ত বৰুৱা। কবিতাৰ মূল উপাদান বিষয়বস্তু আৰু আংগিক দুয়োটি ক্ষেত্ৰতে কবি বৰুৱাদেৱৰ দক্ষতাৰ পৰিচয় পোৱা যায়। এইগৰাকী কবিৰ কবিতাই আধুনিক অসমীয়া কবিতাৰ বিশেষ ৰূপৰ প্ৰতিনিধিত্ব কৰি আহিছে। এই দিশৰ প্ৰতি বিশেষভাৱে লক্ষ্য কৰি কবিতাটো সন্নিৱিষ্ট কৰা হৈছে। আনহাতে, ৰোমাণ্টিক ভাৱধাৰাৰ সৈতে আধুনিক কবিৰ চিন্তা-ভাৱনাৰ মন কৰিবলগীয়া পাৰ্থক্য আছে। ৰোমাণ্টিক কবিয়ে পুনৰজনমত বিশ্বাস কৰে, আধুনিক কবিয়ে ভাবে যে এই পৃথিৱীৰ পৰা এবাৰ গুচি গ'লে মানুহ পুনৰ উভতি আহিব নোৱাৰে। ৰোমাণ্টিক আৰু আধুনিক কবিতাৰ পাৰ্থক্যও এই কবিতাটিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে বুজিব পাৰিব।

**কবি পৰিচিতি ঃ**

কবি নৱকান্ত বৰুৱাৰ ১৯২৬ চনত গুৱাহাটীত জন্ম হয়। তেওঁ স্কুলীয়া শিক্ষা নগাঁৱত শেষ কৰি শান্তি নিকেতনৰ পৰা বি.এ. আৰু আলিগড় মুছলিম বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। বৰুৱাই জগন্নাথ বৰুৱা মহাবিদ্যালয়ত কৰ্মজীৱনৰ পাতনি মেলি কটন মহাবিদ্যালয়ত

সুদীৰ্ঘকাল অধ্যাপনা কৰাৰ পিছত উপাধ্যক্ষৰ পদবীৰে কৰ্মজীৱনৰ সামৰণি মাৰে। এইগৰাকী কবিৰ উল্লেখযোগ্য কাব্যগ্ৰন্থসমূহ হ'ল—'হে অৰণ্য হে মহানগৰ', 'এটি দুটি এঘাৰটি তৰা', 'ৰাৱণ', 'সম্ৰাট', 'যতি আৰু কেইটিমান স্কেচ', 'মোৰ আৰু পৃথিৱীৰ', 'ৰত্নাকৰ', 'ৰাতি জিল-মিল' আৰু 'দলঙত তামীঘৰা'। তেওঁৰ উপন্যাসসমূহৰ ভিতৰত 'কপিলীপৰীয়া সাধু', 'ককাদেউতাৰ হাড়', 'গৰমা-কুঁৱৰী', 'মানুহ আটাইবোৰ দ্বীপ' উল্লেখযোগ্য। শিশু আৰু চেমনীয়াৰ উপযোগীকৈ লিখা গ্ৰন্থৰাজি হ'ল 'আখৰৰ জখলা', 'শিয়ালী পালেগৈ ৰতনপুৰ', 'ভত উকাৰে ভু'। সাহিত্য সমালোচনা আৰু গীত ৰচনাতো বৰুৱাদেৱৰ অৱদান স্মৰণীয়। ২০০২ চনত তেওঁৰ মৃত্যু হয়। 'ককাদেউতাৰ হাড়' উপন্যাসখনৰ বাবে তেওঁ সাহিত্য অকাদেমি বঁটা লাভ কৰে। 'উভতি নহাৰ কবিতা'টি 'দলঙত তামীঘৰা' নামৰ কাব্য সংকলনৰ পৰা লোৱা হৈছে।

**মূল পাঠ ঃ**

মই নাহোঁ মই নাহোঁ
এবাৰেই আহি গুচি গ'লোঁ মই
উভতি অহাৰ কথা নাই
মই জানো মই নাহোঁ
মই জানো কোনো নাহে
মাথোন এই পৃথিৱীখনক ভাল পাই গ'লোঁ
এই কথাটোকে কিমানবাৰ যে ক'লোঁ
    কিমান ভাৱেৰে ক'লোঁ
যন্ত্ৰণা মোৰ জীয়াৰ মন্ত্ৰ
    সেই মন্ত্ৰকে গালোঁ
জীয়াই থকাৰ ধেমালিটো মই
    এবাৰেই খেলি গ'লোঁ

আলিৰ কাণৰ জাবৰৰ পৰা এপাহ বকুল
এবাৰেই তুলি ল'লোঁ

কোনোবা আহিব মোৰ দৰে কোনো দিনা?
মোৰ সুৰতেই বাজিব নতুন বীণা?
ওহোঁ সেয়া হ'ব নতুন মানুহ
সেই দিনো হ'ব নতুন দিন
মোৰ তাত একো নাথাকে চিন।

বকুল তলত ফুল পৰি ৰ'ব
মইতো নহয়, কোনোবাই বুটলিব
মই নাহোঁ, মই নোৱাৰোঁ আহিব, নাহোঁ
হেৰাই যোৱাৰ ৰঙতেইচোন অকলে অকলে হাঁহোঁ
মই নাহোঁ মই নাহোঁ
পৃথিৱী, তোমাক ভাল পাই গ'লোঁ
তথাপিও মই নাহোঁ।

**কঠিন শব্দৰ অৰ্থ ঃ**

| | | |
|---|---|---|
| তামীঘৰা | — | তম্বু। |
| 'যন্ত্ৰণা মোৰ জীয়াৰ মন্ত্ৰ' | — | কবিয়ে জীৱনত লাভ কৰা দুখ-যন্ত্ৰণাৰ পৰাই শিক্ষা লাভ কৰিছে জীৱন-যুদ্ধ চলাবলৈ। |

**আৰ্হি প্ৰশ্ন ঃ**

**(ক) অতি চমু প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক ১)**

১। 'উভতি নহাৰ কবিতা' পাঠটি ক'ৰ পৰা সংগ্ৰহ কৰা হৈছে?

২। কোনখন পুথিৰ বাবে নৰকান্ত বৰুৱাই সাহিত্য অকাদেমি বঁটা লাভ কৰিছিল?

৩। ৰোমাণ্টিক কবিতা আৰু আধুনিক কবিতাৰ এটি পাৰ্থক্য লিখা।

৪। 'উভতি নহাৰ কবিতা' কোন শ্ৰেণীৰ কবিতা?

৫। 'তামীঘৰা' শব্দটিৰ অৰ্থ লিখা।

**(খ) চমু প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ২ অথবা ৩)**

১। নৰকান্ত বৰুৱাৰ তিনিখন কবিতা পুথিৰ নাম লিখা।

২। নৰকান্ত বৰুৱাই ৰচনা কৰা দুখন উপন্যাসৰ নাম লিখা।

৩। নৰকান্ত বৰুৱাই শিশু আৰু চেমনীয়াৰ উপযোগীকৈ ৰচনা কৰা দুখন গ্ৰন্থৰ নাম লিখা।

৪। কবিৰ বাবে জীয়াই থকাৰ মন্ত্ৰ কি? 'জীয়াই থকাৰ ধেমালিটো' কবিয়ে কেইবাৰ খেলিছে?

৫। কবিৰ মতে পৃথিৱীলৈ 'নতুন মানুহ' আহিলে কি পৰিৱৰ্তন হ'ব।

**(গ) দীঘল প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ৪ অথবা ৫)**

১। কবিয়ে কিয় পৃথিৱীলৈ উভতি নাহে বুলি ভাবিছে, বুজাই লিখা।

২। 'উভতি নহাৰ কবিতা'টিৰ মূলভাব লিখা।

৩। কবিয়ে নতুন দিনত তেওঁৰ একো চিন নাথাকিব বুলি কিয় ভাবিছে, বুজাই লিখা।

৪। 'উভতি নহাৰ কবিতা'ত পৃথিৱীৰ প্ৰতি কবিৰ ভালপোৱা কেনেদৰে প্ৰকাশ পাইছে বুজাই লিখা।

৫। প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা।

(ক) যন্ত্ৰণা মোৰ জীয়াৰ মন্ত্ৰ
সেই মন্ত্ৰকে গালোঁ
জীয়াই থকাৰ ধেমালিটো মই
এবাৰেই খেলি গ'লোঁ।

(খ) কোনোবা আহিব মোৰ দৰে কোনো দিনা?
মোৰ সুৰতে বাজিব নতুন বীণা?
ওহোঁ সেয়া হ'ব নতুন মানুহ
সেই দিনো হ'ব নতুন দিন
মোৰ তাত একো নাথাকে চিন।

**পাঠবোধ ঃ**

পৃথিৱীলৈ কবি পুনৰ উভতি নাহে। অকল কবিয়ে নহয়, কোনো মানুহ পৃথিৱীৰ পৰা গুচি যোৱাৰ পিছত উভতি নাহে। পৃথিৱীখনক ভালপোৱাৰ কথা কবিয়ে বিভিন্ন ভাব আৰু ভাষাৰে প্ৰকাশ কৰিছে। যন্ত্ৰণা কবিৰ জীৱনৰ মন্ত্ৰ; জীয়াই থকাটো অৰ্থাৎ জীৱনটো এটা ধেমালিহে মাত্ৰ। কবি উভতি যোৱাৰ পিছত যিসকল এই পৃথিৱীলৈ আহিব, তেওঁলোকৰ কাম-কাজত নতুন চিন্তা, নতুন ধ্যান-ধাৰণাৰ প্ৰকাশ ঘটিব। কবিৰ তাত যেন একো চিন নাথাকিব। জীৱনৰ বকুল পাহ কবিয়ে এবাৰেই বুটলিছে। পিছত এইপাহ বকুল বুটলিবলৈ আন কোনোবা আহিব, তেওঁ উভতি আহিব নোৱাৰে। হেৰাই যোৱাৰ দুখত কবিয়ে যেন অকলেই হাঁহে। পৃথিৱীক ভালপোৱাৰ কথা শেষবাৰলৈ স্বীকাৰ কৰি কবিয়ে কৈছে যে তথাপিও তেওঁ উভতি আহিব নোৱাৰে, উভতি নাহে।

**ওপৰঞ্চি তথ্য ঃ**

কুৰি শতিকাৰ পঞ্চাশৰ দশকৰ পৰা ষাঠিৰ দশকলৈ অসমীয়া সাহিত্যত 'ৰামধেনু' আলোচনীয়ে বিশেষ গুৰুত্ব লাভ কৰিছিল। ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই সুদীৰ্ঘকাল এই 'ৰামধেনু'ৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰিছিল। নৱকান্ত বৰুৱাদেৱৰ কাব্য-চৰ্চাত 'ৰামধেনু'ৰ অৱদান স্মৰণীয়। এই কথাও মন কৰিব লগীয়া যে 'ৰামধেনু' আলোচনীয়ে অসমীয়া সাহিত্যত এটা যুগৰো

সৃষ্টি কৰিছিল—'ৰামধেনু যুগ'। ৰামধেনু যুগৰ উল্লেখযোগ্য কবি কেইগৰাকীমান হ'ল—হেম বৰুৱা, নৱকান্ত বৰুৱা, কেশৱ মহন্ত, মহেন্দ্ৰ বৰা, অজিৎ বৰুৱা, বীৰেন বৰকটকী আদি।

**শিক্ষকৰ প্ৰতি ঃ**

'ৰামধেনু' আলোচনীৰ বিষয়ে সবিশেষ ছাত্ৰ-ছাত্ৰীক বুজাই দিবলৈ যত্ন কৰিব।

●●●